**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2025 **Time :** 1205 Hrs.

# Assamese Midday Bulletin

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ডিব্ৰুগড়ত আজি অসম মন্ত্ৰীসভাৰ বৈঠকৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড়ৰ মাইজানৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত দ্বিতীয়বাৰৰ বাবে এই বৈঠক হ'ব। বিয়লি ৪ বজাৰ পৰা হ'বলগীয়া এই বৈঠকত ৰাজ্যৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সামৰি লোৱা হ'ব। বৈঠকত অংশ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ শৰ্মা বিয়লি ডিব্ৰুগড়ত উপস্থিত হ'ব। এই সময়ছোৱাত তেওঁ উজনি অসমৰ কেইবাখনো সমজিলাৰ লগতে সমষ্টি পৰ্যায়ৰ চৰকাৰী উন্নয়নমূলক কাম-কাজৰো পৰ্যালোচনা কৰিব।

০০০০০০০

ৰাজ্য চৰকাৰে অসমৰ চহকী সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণৰ উদ্দেশ্যে প্ৰণয়ন কৰা বিস্তাৰিত অসম দৰ্শন আঁচনিৰ অধীনত ২০২৫ বৰ্ষৰ বাজেটত ৪২০ কোটি টকা আবণ্টন দিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ ২৫ হাজাৰ নামঘৰক দুটা কিস্তিত ৩ লাখ টকাকৈ প্ৰদান কৰা হ'ব। অহা ৩১ মাৰ্চৰ পূৰ্বে প্ৰথম কিস্তিৰ ধন মোকলাই দিয়া হ'ব।

০০০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ৩৩ টা সমষ্টিত মুঠ ৯৬ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। নিৰ্বাচনত দুয়োখন জিলাৰ ৩ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। নিৰ্বাচন হ'বলগীয়া দুখন জিলা কামৰূপ আৰু গোৱালপাৰাৰ ৩৬টা সমষ্টিৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। আমাৰ কামৰূপৰ সংবাদদাতাই জনোৱা মতে কামৰূপ জিলাৰ অন্তৰ্গত হাঁহিম সমষ্টিত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী সোণাৰাম ৰাভা আৰু খলিহাকোঠ পৰিষদীয় সমষ্টিত নগৰমল স্বৰ্গীয়াৰী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। জিলাখনৰ অন্তৰ্গত বাকী ১৪ টা সমষ্টিৰ ৫০ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ছগৰাকী প্ৰাৰ্থীয়ে নাম প্ৰত্যাহাৰ কৰাৰ ফলত এতিয়া মুঠ ৪৪ গৰাকী প্ৰাৰ্থীৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'ব। গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰা ৫৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত জয়ৰামকুছি পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আন এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। ইয়াৰ ফলত সমষ্টিকেইটাত ৫২ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাটো নিশ্চিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

পৰিষদৰ এই নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিয়ে ৩০টাত আৰু বিজেপিয়ে ৬টা সমষ্টিত প্ৰাৰ্থিত্ব দিছে। ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০০

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা শিক্ষক পদৰ বাবে আজিৰ পৰা ১১ এপ্ৰিললৈ নথি পৰীক্ষাৰ দিন ঘোষণা কৰিছে। সঞ্চালকালয়ে জাৰি কৰা জাননী অনুসৰি খানাপাৰাস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় অতিথিশালাত কাইলৈৰ পৰা ২৯ মাৰ্চলৈ প্ৰথম পৰ্যায় আৰু পহিলা এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষা কৰা হ'ব। নথি পৰীক্ষাৰ বাবে যোগ্য বিবেচিত ৪ হাজাৰ ২০০ গৰাকী প্ৰাৰ্থীৰ নাম প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইট www.dee.assam.gov.inত আপলোড কৰা হৈছে। নথি পৰীক্ষাৰ সময়ত প্ৰাৰ্থীসকলে স্ব-প্ৰত্যায়িত নথিৰ লগতে মূল নথি পত্ৰ আৰু আবেদনৰ কপি দেখুওৱাব লাগিব। উল্লেখযোগ্য প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ২০২৩ বৰ্ষৰ ডিচেম্বৰত নিম্ন আৰু উচ্চ প্ৰাথমিকৰ এই ৫ হাজাৰ ৫৫০টা শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল।

০০০০০০০

ডিব্ৰুগড়ত কাইলৈৰ পৰা দুদিনীয়াকৈ উত্তৰ-পূব খিলঞ্জীয়া গণ মঞ্চ আৰু খিলঞ্জীয়া মঞ্চ, অসমৰ তৃতীয় দ্বিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। কাইলৈ পতাকা উত্তোলনেৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে উত্তৰ-পূব খিলঞ্জীয়া গণমঞ্চৰ প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। এই সভাত উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ কমেও ৬০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ বিভিন্ন স্থানত আজি বিষাক্ত কাঠফুলা সেৱনৰ বিৰুদ্ধে সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জগত চিং টেৰণে আৰম্ভ কৰা এই সজাগতা কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণক বনৰীয়া কাঠফুলা সেৱন কৰাৰ ফলত হ'ব পৰা ক্ষতিৰ বিষয়ে অৱগত কৰোৱাৰ প্ৰয়াস কৰা হৈছে। জিলাখনৰ ভালেসংখ্যক চিকিৎসক, সহকাৰী খণ্ড আঁচনি প্ৰৱন্ধক আৰু আশা কৰ্মীয়ে ঠায়ে ঠায়ে গৈ এই সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

উত্তৰ লখিমপুৰ মহাবিদ্যালয়ত যোৱা ১৮ মাৰ্চৰ পৰা ২৫ মাৰ্চলৈ আঠদিনীয়া কাৰ্যসূচীৰে গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। গ্ৰন্থমেলাত কালি জিলা প্ৰশাসনৰ সহযোগত যুৱ সংসদৰ কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক দিগন্ত হাতীবৰুৱাই আঁত ধৰা এই কৰ্মশালাত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। এই কৰ্মশালাত ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষাৰ্থীসকলে যুৱ সংসদৰ আৰ্হি প্ৰদৰ্শন কৰে।

০০০০০০০

**সমাপ্ত**